# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

**Headlines**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুসময়ৰ পাছত উত্তৰাখণ্ডৰ ডেৰাডুনত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

২। গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰীট কাইলৈ নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত হ'ব।

৩। উত্তৰ প্ৰদেশৰ বাগপটত আজি এটা ধৰ্মীয় অনুষ্ঠানৰ মঞ্চ খহি পৰাৰ ফলত ৭ জন লোকে প্ৰাণ হেৰুৱায় আৰু আন ৪৫ জন লোক আহত হয়।

৪। শ্ৰীলংকাৰ নৌসেনাই ভাৰতীয় মাছমৰিয়াক আটক কৰাৰ সময়ত গুলি চালনা কৰাৰ ঘটনাক লৈ ভাৰতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল ৰাজকোটত চলি আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুসময়ৰ পাছত উত্তৰাখণ্ডৰ ডেৰাডুনত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। এই ক্ৰীড়া মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান চলি আছে। এই অনুষ্ঠানত উত্তৰাখণ্ডত লোককৃষ্টি আৰু আধুনিক প্ৰযুক্তিৰ সমাহাৰ দেখিবলৈ পোৱা গৈছে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী, ভাৰতীয় অলিম্পিক সংস্থাৰ সদস্য, ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছে। এইবেলি এই ক্ৰীড়া মহোৎসৱত ২৮ খন ৰাজ্য আৰু ৮ টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় ১০ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

উত্তৰাখণ্ডৰ ৮ খন জিলাৰ ১১ খন নগৰত অহা ১৪ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫ বিধ খেলৰ মুঠ ৪৭টা শিতান থাকিব। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ ল'ব।

০০০০

গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰীট কাইলৈ নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এইবেলি স্থলসেনা, নৌসেনা, বায়ুসেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহৰ বেণ্ডৰ সংগীতৰ তালে তালে ৩০ গৰাকী শিল্পীয়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্য কেন্দ্ৰীয় মন্ত্ৰীসকলে এই অনুষ্ঠানত ভাগ ল'ব।

০০০০

মৌনী অমাৱস্যা উপলক্ষে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভত কাইলৈ দ্বিতীয় অমৃত স্নান সম্পন্ন কৰা হ'ব। ধৰ্মীয় দিশৰ পৰা অমৃত স্নানৰ অপৰিসীম গুৰুত্ব আছে আৰু মৌনী অমাৱস্যাৰ দিনা কৰা অমৃত স্নানক অতিকৈ

পবিত্ৰ বুলি গণ্য কৰা হয়। বিশ্বৰ সৰ্ববৃহৎ  ধৰ্মীয় সমাবেশৰূপে স্বীকৃতিপ্ৰাপ্ত মহাকুম্ভ মেলা যোৱা ১৩ জানুৱাৰীত আৰম্ভ হৈছে আৰু ১৪ জানুৱাৰীত মকৰ সংক্ৰান্তিৰ দিনা প্ৰথম অমৃত স্নান সম্পন্ন হৈছিল।

কাইলৈ মৌনী অমাৱস্যা উপলক্ষে প্ৰয়াগৰাজৰ মহাকুম্ভলৈ  আহিবলগীয়া বৃহৎ সংখ্যক ভক্তসকলৰ আহ-যাহৰ সুচলতা নিশ্চিত কৰিবলৈ ভাৰতীয় ৰেলে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰেল বোৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰে কয়, যে ইতিমধ্যে চলাচল কৰি থকা বিশেষ ৰেলসমূহৰ উপৰিও ৰেল বিভাগে ৬০ খন অতিৰিক্ত ৰেল চলোৱাৰ ব্যৱস্থা কৰিছে। এই অতিৰিক্ত ৰেলসমূহকে ধৰি এইবাৰৰ মৌনী অমাৱস্যা উপলক্ষে প্ৰায় ১৯০ খন বিশেষ ৰেল চলাচল কৰিব বুলি তেওঁ লগতে মন্তব্য কৰে। ভক্তসকলৰ সুবিধাৰ্থে প্ৰয়াগৰাজৰ পৰা প্ৰতি ৪ মিনিটৰ মুৰে মুৰে ৰেলৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ সুব্ৰমন্যম জয়শংকৰে আজি আবুধাবিত ৰাইছিনা আলোচনাৰ উদ্বোধনী সত্ৰত ভাষণ দি ভাৰত মধ্য প্ৰাচ্যৰ সম্পৰ্কৰ বৰ্ধিত গুৰুত্বৰ ওপৰত আলোকপাত কৰে। বাণিজ্য, যোগাযোগ আৰু সাংস্কৃতিক ক্ষেত্ৰত ভাৰত আৰু মধ্য প্ৰাচ্যৰ মাজত যোৱা দশকত বৃদ্ধি পোৱা সহযোগিতাৰ বিষয়ে উল্লেখ কৰি শ্ৰীজয়শংকৰে বৰ্তমানৰ বিশ্বৰ পৰিৱৰ্তিত প্ৰেক্ষাপটত এই সহযোগিতাই বিশেষ গুৰুত্ব বহন কৰা বুলি মন্তব্য কৰে। ভাৰত-মধ্য প্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিড'ৰৰ লেখিয়া উদ্যমৰ মাজেৰে যোগাযোগ বৃদ্ধিত গুৰুত্ব আৰোপ কৰি শ্ৰীজয়শংকৰে খাদ্য সুৰক্ষা নৱীকৰণযোগ্য শক্তি আৰু প্ৰযুক্তিৰ লেখিয়া ক্ষেত্ৰসমূহত সহযোগিতাৰ সপক্ষে মত পোষণ কৰে। তেওঁ লগতে পৰম্পৰা আৰু উদ্ভাৱনৰ মাজত ভাৰসাম্য ৰক্ষা কৰি নিত্য নতুন বিশ্বজনীন শৃংখলাত উমৈহতীয়া প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ বাবে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে পৰহিলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বাজেট অধিবেশন শুকুৰবাৰে আৰম্ভ হ'ব। শনিবাৰে  বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বাজেট দাখিল কৰিব।

০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে মহানগৰখনত নিৰ্বাচনী যুঁজ তীব্ৰতৰ হৈ উঠিছে। ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ লক্ষ্যৰে পূৰ্ণোদ্যমে প্ৰচাৰ চলাই আছে। এই দলসমূহৰ নেতাসকলে নিৰ্বাচনী সভা, ৰোড শ্ব' আৰু ঘৰে ঘৰে গৈ প্ৰচাৰ চলাই জনসাধাৰণৰ সমৰ্থন আদায়ৰ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে।

০০০০

উত্তৰ প্ৰদেশৰ বাগপটত আজি এটা ধৰ্মীয় অনুষ্ঠানৰ মঞ্চ খহি পৰাৰ ফলত ৭ জন লোকে প্ৰাণ হেৰুৱায় আৰু আন ৪৫ জন  লোক আহত হয়। আহতসকলৰ ভিতৰত ৮ গৰাকী আৰক্ষী বিভাগৰ লোকো আছে। জৈন ধৰ্মাৱলম্বী লোকসকলৰ প্ৰথমগৰাকী তীৰ্থংকৰ ভগৱান আদিনাথৰ **নিৰ্বাণ লড্ডু পৰ্ব** উপলক্ষে আয়োজিত ধৰ্মীয় অনুষ্ঠানত এই দুৰ্ঘটনা সংঘটিত হয়। ভক্তসকল অনুষ্ঠানত কাঠৰ চিৰিৰে মূল মঞ্চলৈ উঠি যোৱাৰ সময়তে চিৰি ভাগি মঞ্চ খহি পৰে। বাগপটৰ জিলাধিপতি অস্মিতা লালে ঘটনাটোৰ সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। অনুষ্ঠানৰ বাবে মঞ্চ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰজনৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰি তেওঁক ইতিমধ্যে জিম্মাত লোৱা

হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে দুৰ্ঘটনাটোৰ সন্দৰ্ভত সকলো তথ্য বিবেচনা কৰি আহতসকলৰ যথেচিত চিকিৎসা সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে চিকিৎসালয়লৈ গৈ আহতসকলৰ স্বাস্থ্যৰ বুজ লয়।

০০০০

শ্ৰীলংকাৰ নৌসেনাই ভাৰতীয় মাছমৰিয়াক আটক কৰাৰ সময়ত গুলি চালনা কৰাৰ ঘটনাক লৈ ভাৰতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। বিদেশ মন্ত্ৰালয়ে আজি নতুন দিল্লীত থকা শ্ৰীলংকাৰ কাৰ্যবাহী উচ্চায়ুক্তক তলব কৰে আৰু এই ঘটনা সন্দৰ্ভত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। কলম্বোত থকা ভাৰতীয় উচ্চায়ুক্তইও শ্ৰীলংকা চৰকাৰৰ ওচৰত বিষয়টো উত্থাপন কৰা বুলি বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। আজি পুৱা ডেল্‌ফ্‌ট দ্বীপৰ সমীপত ১৩ গৰাকী ভাৰতীয় মাছমৰিয়াক আটক কৰাৰ সময়ত শ্ৰীলংকাৰ নৌসেনাই গুলিবৰ্ষণ কৰা বুলি বাতৰি পোৱা গৈছে। এই গুলিবৰ্ষণত দুগৰাকী মাছমৰিয়া গুৰুতৰভাৱে আৰু আন তিনিগৰাকী সামান্যভাৱে আহত হয়। আহত মাছমৰিয়াসকলক জাফলাৰ টিচিং হাস্পতালত ভৰ্তি কৰোৱা হৈছে। জাফলাত থকা ভাৰতীয় বাণিজ্য দূতাবাসৰ বিষয়াসকলে আহত মাছমৰিয়াসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ বাবে আজি চিকিৎসালয়খন পৰিদৰ্শন কৰে। বাণিজ্যিক দূতাবাসে মাছমৰিয়া আৰু তেওঁলোকৰ পৰিয়াললৈ সম্ভৱপৰ সকলো ধৰণৰ সহায় আগবঢ়াইছে।

ভাৰতে মাছমৰিয়াসকলৰ সৈতে জড়িত বিষয়সমূহ মানৱীয় দৃষ্টিভংগী আৰু সহানুভূতিৰে সমাধান কৰাৰ আৱশ্যকত আছে বুলি পুনৰ প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰালয়ে যিকোনো পৰিস্থিতিতে শক্তিৰ প্ৰয়োগ গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰিছে। মন্ত্ৰালয়ে লগতে এই সন্দৰ্ভত দুয়োখন দেশৰ মাজত থকা বৰ্তমানৰ বুজাবুজিৰ নিয়মাৱলী কঠোৰভাৱে মানি চলা উচিত বুলি প্ৰকাশ কৰিছে।

০০০০

বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদে ইয়াৰ উদ্ভাৱনমূলক গৱেষণা, ঔদ্যোগিক আৰু সামাজিক সহযোগিতা, উদ্যমশীলতা সামৰ্থ বিকাশ আৰু নীতি প্ৰস্তুতকৰণৰ জৰিয়তে ৰাষ্ট্ৰীয় আৱশ্যকতা পূৰণ কৰি দেশৰ বৈজ্ঞানিক আৰু প্ৰযুক্তিগত প্ৰগতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে  বুলি কেন্দ্ৰীয়  বিজ্ঞান আৰু প্ৰযুক্তি তথা ধৰিত্ৰী বিজ্ঞান ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। লক্ষ্ণৌত আজি বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ অধীনৰ ভাৰতীয় বিষবিজ্ঞান গৱেষণা প্ৰতিষ্ঠানৰ হীৰক জয়ন্তী সমাৰোহ উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। সমাজলৈ বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ অৱদানৰ বিষয়ে আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰিষদৰ যাত্ৰা অতিকৈ গৌৰৱশালী বুলি অভিহিত কৰে।

০০০০

ভাৰতে আজি মালয়েছিয়াৰ কোৱালালামপুৰত অনুষ্ঠিত মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত স্কটলেণ্ডক ১৫০ ৰাণত পৰাস্ত কৰে। স্কটলেণ্ডে ২০২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৫৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ আয়ুশী শুক্লাই ৪ টা উইকেট দখল কৰে। বৈষ্ণৱী শৰ্মা আৰু গোংগড়ী ত্ৰিশাই ৩ টাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত এটা উইকেটৰ বিনিময়ত ২০৮ ৰাণ কৰে। ভাৰতৰ হৈ গোংগড়ী ত্ৰিশাই ৫৯ টা বলত ১১০ ৰাণ কৰে।

ইপিনে, ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কিছুসময় পূৰ্বে গুজৰাটৰ ৰাজকোটত আৰম্ভ হৈছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। ইংলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈকে ৩ অভাৰত এটা উইকেট হেৰুৱাই ২১ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

সমাপ্ত